**প্ৰেছ বাৰ্তা নং ঃ ২৮১/২০২২**

**অসম লজিষ্টিক এণ্ড ৱেৰহাউছিং পলিচি ২০২২ আনুষ্ঠানিকভাৱে উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# এম এছ এম ই আৰু উদ্যোগ খণ্ডৰ বাবে দুখন বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত

**অসমক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিবলৈ এম এছ এম ই খণ্ডই বৃহৎ ভূমিকা গ্ৰহণ কৰিব পাৰে ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ১৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এম এছ এম ই সন্মিলনত অসম লজিষ্টিক এণ্ড ৱেৰহাউছিং পলিচি ২০২২ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য যে, ৰাজ্যৰ অৰ্থনৈতিক বিকাশ বৃদ্ধিৰ বাবে অসমক আঞ্চলিক 'লজিষ্টিক হাব' হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যেৰে এই নীতি গ্ৰহণ কৰা হৈছে। আনহাতে, সন্মিলনত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ উপস্থিতিত অসম চৰকাৰে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ বাবে আৰ্থিক সুবিধা সৃষ্টিৰ উদ্দেশ্যেৰে চি জি টি এম এছ ইৰ সৈতে এক বুজা-বুজিৰ চুক্তিত স্বাক্ষৰ কৰে। তদুপৰি, অসম ষ্টাৰ্ট আপ ভেঞ্চাৰ ফাণ্ডৰ বাবে ছিডবি ভেঞ্চাৰ কেপিটেলৰ সৈতেও আজি চৰকাৰে আন এখন বুজা-বুজিৰ চুক্তি স্বাক্ষৰ কৰে। উল্লেখ্য যে, অসম চৰকাৰৰ ১০০ কোটি টকা, ছিডবিৰ ৫০ কোটি টকা আৰু অন্যান্য বিনিয়োগকাৰীৰ ৫০ কোটি টকাৰে মুঠ ২০০ কোটি টকাৰ এই ছিডবি ভেঞ্চাৰ কেপিটেল ফাণ্ড গঠন কৰাৰ উদ্যোগ লোৱা হৈছে।

এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটোক ৰাজ্যৰ উদ্যোগ খণ্ডৰ বাবে এক উল্লেখযোগ্য দিন বুলি অভিহিত কৰে। এই বুজা-বুজি চুক্তিৰ ফলত ক্ষিপ্ৰ উদ্যোগীকৰণৰ সূচনা হোৱাৰ লগতে এম এছ এম ই খণ্ডত সংস্কাৰ সাধনতো সহায়ক হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰেডিট গেৰাণ্টি ফাণ্ড ট্ৰাষ্ট ফ'ৰ মাইক্ৰ' এণ্ড স্মাল এণ্টাৰপ্ৰাইজ (চি জি টি এম এছ এ)ৰ সৈতে হোৱা সহযোগিতাৰ উদ্দেশ্য হৈছে অসমৰ ক্ষুদ্ৰ আৰু লঘু ইউনিটসমূহক ঋণ প্ৰদানকাৰী প্ৰতিষ্ঠানসমূহে দিয়া ঋণৰ বাবে অতিৰিক্ত নিশ্চয়তা প্ৰদান কৰা। তেওঁ কয় যে আঁচনিখনত ঋণৰ নিশ্চয়তা সামৰি ৮০ শতাংশ চি জি টি এম এছ ই এ প্ৰদান কৰিব আৰু ২০ শতাংশ ৰাজ্য চৰকাৰে প্ৰদান কৰিব। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ছিডবিৰ কৰ্পাছ সমৰ্থনে দিয়া ফলপ্ৰসূ দিশসমূহৰ কথাও উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ছিডবিৰ সৈতে স্বাক্ষৰিত আন এক বুজা-বুজিৰ চুক্তিৰ অধীনত প্ৰস্তাৱিত অসম ষ্টাৰ্ট আপ ভেঞ্চাৰ কেপিটেল ফাণ্ডৰ বাবে ছিডবি ভেঞ্চাৰ কেপিটেল ফাণ্ডে বিনিয়োগ পৰিচালক হিচাপেও কাম কৰিব। ছিডবিয়ে সহযোগী প্ৰতিষ্ঠান এছ ভি চি এলৰ জৰিয়তে অসম ষ্টাৰ্ট আপ ভেঞ্চাৰ কেপিটেল ফাণ্ডৰ অংশীদাৰ হিচাপে ৰাজ্যত এম এছ এম ইকে ধৰি ষ্টাৰ্ট আপসমূহৰ সংগঠিত উন্নয়ন আৰু

বিকাশৰ বাবে ৰাজ্য চৰকাৰৰ সৈতে মিলি এক বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰাত সহায় কৰিব। মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত অসমত এক শক্তিশালী এম এছ এম ই পৰিৱেশ গঢ়ি তোলাৰ বাবে যুৱ উদ্যোগীসকলক অধিক যত্নপৰ হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে বজাৰ ব্যৱস্থাটোত আজি তীব্ৰ প্ৰতিযোগিতা আহিছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত ব্যৱসায়িক স্থিতি শক্তিশালী কৰিবলৈ হ'লে এম এছ এম ই সমূহে নিজৰ উৎপাদিত সামগ্ৰীৰ গুণমান উন্নত কৰিব লাগিব।

মুখ্যমন্ত্ৰীয়ে এম এছ এম ই খণ্ডৰ বিষয়ে আলোকপাত কৰি কয় যে ৰাজ্যত ৬৬ হাজাৰৰো অধিক উদ্যোগ আছে। এই উদ্যোগসমূহে ৰাজ্যৰ জিডিপিলৈ ২৮ শতাংশ অৰিহণা যোগায়। এই ঔদ্যোগিক গোটসমূহৰ ভিতৰত ৮৮ শতাংশ ক্ষুদ্ৰ, ১১.৫ শতাংশ লঘু আৰু মজলীয়া উদ্যোগ। এম এছ এম ইয়ে ৰাজ্যখনৰ ঔদ্যোগিক খণ্ডৰ ৯৯.৫ শতাংশ অংশক প্ৰতিনিধিত্ব কৰিছে বুলি সদৰি কৰি তেওঁ লগতে কয় যে ২০১৬ চনৰ পৰা ২০২১ চনলৈ বৰ্তমান বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ অধীনত অসমত ৩২,৭৭০ টা এম এছ এম ই স্থাপন কৰা হৈছে। ইয়াত ১৩,৪৪০ টা উদ্যোগ উৎপাদন খণ্ডত জড়িত হৈ আছে আৰু ১,৩০,২৯৪ জন যুৱকে কৰ্ম সংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে।

সন্মিলনত মুখ্যমন্ত্ৰীয়ে কয় যে অসমক আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ দিশত এম এছ এম ইৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে। এম এছ এম ই সমূহে নিজকে সু-সংগঠিত কৰি বৃহৎ উদ্যোগ হিচাপে আত্মপ্ৰকাশ কৰিব লাগিব আৰু নতুন প্ৰজন্মক উদ্যোগীকৰণৰ দিশত অনুপ্ৰাণিত কৰিব লাগিব। চাকৰি বিচৰাৰ পৰিৱৰ্তে চাকৰি সৃষ্টিকাৰী যুৱক-যুৱতী গঢ়ি তোলাৰ ক্ষেত্ৰত এম এছ এম ইসমূহে নতুন প্ৰজন্মৰ বাবে এক আদৰ্শ দাঙি ধৰিব লাগিব। তেওঁ এই ক্ষেত্ৰত ৰাজ্যৰ যুৱক-যুৱতীসকলক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। তেওঁ লগতে আজি হোৱা বুজা-বুজিৰ চুক্তিসমূহৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈও ৰাজ্যৰ যুৱ সমাজলৈ আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী বিমল বড়া, ছিডবিৰ চি এম ডি এম ৰমন, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাৰ লগতে উদ্যোগ বিভাগৰ শীৰ্ষ বিষয়া, এম এছ এম ই খণ্ডৰ গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ /পুঃডেঃ**
**১৯/০৯/২০২২**